# যোচেফৰ দৰে, ঈশ্বৰে আমাত ন্যস্ত কৰা সকলো বিষয়ৰ আমি ঘৰগিৰী

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন S3b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** "হে পিতৃ, সকলো বস্তু আপোনাৰেই আৰু আমাৰ সকলো আপোনাৰ পৰাই অহা হয়। আপোনাৰ গৌৰৱৰ অৰ্থে, আমাক দিয়া সকলো বস্তুৰে যত্ন ল'বলৈ আমাক সহায় কৰক। আমেন।"

**১। প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰ দ্বাৰায় নিজকে প্ৰস্তুত কৰক।**

তেওঁ সৃষ্টি কৰা সকলো বস্তুকে ঈশ্বৰে আৰম্ভণিৰ পৰা এতিয়ালৈকে মানুহৰ হাতত ন্যস্ত কৰিলে।

মানুহে কেনেকৈ পৃথিৱীখন শাসন কৰিব, আদিপুস্তক ১ঃ২৬-২৮ পদত চাওক। তলত দিয়া প্ৰশ্নবোৰ পঢ়াৰ আগেয়ে বিষয়বোৰৰ উত্তৰ বিচাৰি চাওক।



(ক) নিজৰ মাটিবাৰী চোৰা-চিতা কৰিবলৈ মানুহে কাৰ পৰা তেওঁলোকৰ অধিকাৰ পালে?

(খ) নিজৰ জীৱ-জন্তু চোৰা-চিতা কৰিবলৈ মানুহে কাৰ পৰা ক্ষমতা পালে?

(গ) তেওঁবিলাকৰ মাটি-বাৰী, জীৱ-জন্তু কিমান ভালদৰে চাইছে, তাৰ হিচাপ মানুহে কাক দিব?

*(উত্তৰবোৰ ঃ (ক) ঈশ্বৰৰ পৰা। (খ) ঈশ্বৰৰ পৰা। (গ) ঈশ্বৰক।)*

**আদিপুস্তক ৩৯ঃ২-৫** পদত চাওক, যোচেফ কেনেকৈ মিচৰীয়া ঘৰৰ অধ্যক্ষ হৈছিল।



(ক) যেতিয়া আমি আনৰ বাবে কাম কৰোঁ, আমি কি কৰাটো ঈশ্বৰে ইচ্ছা কৰে?

(খ) আমি তেওঁবিলাকৰ নিমিত্তে ভালদৰে কাম কৰিলে, মানুহে আমাৰ বিষয়ে কেনে মনোভাৱ ৰাখিব?

*(উত্তৰবোৰ ঃ (ক) তেওঁলোকৰ সম্পত্তি বিচক্ষণ ভাবে চলাই তেওঁলোকক আশীৰ্ব্বাদ দিব। (খ) তেওঁলোকে আমাক বিশ্বাস কৰিব।)*

জাগতিক বয়বস্তুৰ আমি কেনেকৈ চলাব লাগে বুলি যীচুৱে কৈছে, **লূক ১২ঃ৪২-৪৮ পদত চাওক।**

- তেওঁৰ পুনৰাগমনত উত্তম ঘৰগিৰীক যীচুৱে কেনেকৈ পুৰস্কৃত কৰিব? *(৪২-৪৪ পদ)*

- তেওঁলোকৰ ধন সম্পত্তিৰে তেওঁৰ অবাধ্য হোৱা লোকক যীচুৱে কেনে ব্যৱহাৰ কৰিব? *(উত্তৰঃ ৪৫-৪৭)*
- অধিক ধন সম্পত্তি থকা জনৰ পৰা যীচুৱে কি বিচাৰে? *(৪৮)*

**১ কৰিন্থীয়া ৪ঃ১-৪** পদ চাওক। তেওঁৰ সত্যতাৰ ঘৰগিৰী জনৰ বিষয়ে ঈশ্বৰে কি কৈছে -

- আমি ঘৰগিৰী সকলৰ পৰা ঈশ্বৰে কি বিচাৰে? *(উত্তৰ ঃ আমাক বিশ্বাসযোগ্য পাব লাগিব)*
- আমি ঘৰগিৰী সকলক কোনে পৰীক্ষা কৰে? *(উত্তৰ ঃ অন্যলোকেবিলাকে, আদালতে আৰু প্ৰভু নিজে)*

আমি আমাৰ শৰীৰক কিদৰে চলাব লাগে, **১ থিচলনীকীয়া ৪ঃ১-৮ পদত চাওক।**

- আমাৰ শৰীৰৰ ওপৰত কাৰ অধিকাৰ আছে ? *(উত্তৰ ঃ ১-২ পদ)*
- জগতত থাকোতে আমি আমাৰ শৰীৰ কেনেদৰে ৰখা উচিত? *(উত্তৰ ঃ ৩-৫ পদ)*
- আমাৰ শৰীৰক ভালদৰে চলাবলৈ ঈশ্বৰে আমাক কি দিয়ে? *(উত্তৰ ঃ ৬)*
- আমি যদি শৰীৰেৰে আনক ফাঁকি দিওঁ, ঈশ্বৰে কি কৰিব? *(উত্তৰ ঃ ৭-৮ পদ)*

আপোনাৰ আত্মিক বৰ দানবোৰ কেনেদৰে চলাব, **১ পিতৰ ৪ঃ১০-১১ পদত চাওক।**

- আমি কোনে কোনে ঈশ্বৰৰ পৰা এটা আত্মিক বৰদান পাইছোঁ? *(উত্তৰ ঃ প্ৰতিজনে)*
- দুইবিধৰ বৰদান কিহত ব্যৱহাৰ কৰা হয়? *(উত্তৰ ঃ ঈশ্বৰৰ বাবে কথা কোৱা, ঈশ্বৰৰ পৰিচৰ্য্যা কৰা)*
- আত্মিক বৰদান ব্যৱহাৰ কৰিবলৈ, আমি কাৰ পৰা শক্তি পাওঁ? *(ঈশ্বৰৰ পৰা)*
- আমি আমাৰ আত্মিক বৰদান কামত লগালে, কেনে গৌৰৱ পাব লাগে? *(যীচু খ্ৰীষ্ট)*

**২। সপ্তাহটোত কৰিবলগীয়া কাম কাজৰ বিষয়ে সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

১। আপোনাৰ ধন-সম্পত্তি, ২। আন লোকৰ ধন-সম্পত্তি, ৩। ঈশ্বৰৰ সত্যতা, ৪। আপোনাৰ শৰীৰ আৰু ৫। আপোনাৰ আত্মিক বৰদান - এই বিষয়বোৰ আপুনি আৰু তেওঁবিলাকে কিমান ভালদৰে চলাইছে, আলোচনা কৰক।

এই সকলো কেনেকৈ উত্তমৰূপে চলাব, প্ৰতিজনক ক'বলৈ দিয়ক।

এই সকলো বিষয়ত অধিক বিশ্বাসযোগ্য হ'বলৈ ঈশ্বৰৰ সহায়ৰ কাৰণে, একেলগে প্ৰাৰ্থনা কৰক।

উত্তম ঘৰগিৰী হোৱা প্ৰয়োজন থকা বিশ্বাসীসকলক পৰিদৰ্শন কৰক।

- ওপৰত উল্লেখ কৰা ধৰণৰ বাইবেলৰ পদবোৰ পঢ়ক।
- তেওঁলোক বিশ্বাসী হ'বলৈ ঈশ্বৰৰ সহায় বিচাৰি বিশ্বাসীসকলৰ লগত প্ৰাৰ্থনা কৰক।

**৩। হ'বলগীয়া উপাসনাৰ নিমিত্তে সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

ওপৰত উল্লেখ কৰাৰ দৰে ঘৰগিৰীৰ বিষয়ে বাইবেলৰ অংশবোৰ পঢ়ক আৰু ব্যাখা কৰক।

ঘৰগিৰীৰ বিষয়ে এই সত্যবোৰ বৰ্ণনা কৰক ঃ

- প্ৰতিটো উত্তম বস্তুৰ ঈশ্বৰ সৃষ্টিকৰ্ত্তা আৰু সকলো তেওঁৰে।
- প্ৰতি গৰাকী ব্যক্তিকে ঈশ্বৰে অনেক বস্তু দিছে। (জীৱন, শৰীৰ, মাটিবাৰী, জীৱ-জন্তু, টকা-পইচা, কাম, জীৱনসঙ্গী, ল'ৰা-ছোৱালী, জ্ঞান, ধন-সম্পত্তি, বাইবেল, আত্মিক বৰদান ইত্যাদি।)
- তেওঁ আমালৈ কৰা প্ৰতিজ্ঞাবোৰত ঈশ্বৰ সম্পূৰ্ণ বিশ্বাসী।
- আমাক দিয়া সকলোৰে সৈতে তেওঁলৈ বিশ্বাসী হোৱাত ঈশ্বৰে আমাক সহায় কৰিবলৈ ইচ্ছা কৰে।
- আমি আটাইয়ে কিমান বিশ্বাসী ঈশ্বৰে আমাৰ বিচাৰ কৰিব।
- তেওঁৰ শৰীৰৰে ফাঁকি দিয়া প্ৰতিগৰাকী বিশ্বাসীকে ঈশ্বৰে শাস্তি দিব।

- বিশ্বাসীজনক ঈশ্বৰে পুৰস্কাৰ দিব।

    এজন উত্তম ঘৰগিৰী হোৱাত কেনেকৈ ঈশ্বৰে সহায় কৰিছে, কওক।

    উত্তম ঘৰগিৰী হোৱাত কেনেকৈ তেওঁবিলাকক সহায় কৰিছে সেই কথা ক'বলৈ বিশ্বাসীসকলক নিমন্ত্ৰণ কৰক। তেওঁলোকে কি কয় শুনক। যদিহে তেওঁলোকে তলত দিয়া বিষয়বোৰ উল্লেখ নকৰে, তেনেহ'লে আপুনি কওক।

**তেওঁৰ ঘৰগিৰীৰূপে ঈশ্বৰে আমাক দিয়া বস্তুবোৰ**

আমাৰ শৰীৰ যাক আমি খুৱাব, সুৰক্ষা দিব আৰু পবিত্ৰ ৰাখিব লাগে।

আমাৰ মাটিবাৰী যাক আমি ব্যৱহাৰ কৰি খহি পৰাৰ পৰা ৰক্ষা কৰিব লাগে।

আমাৰ জীৱ-জন্তুবিলাক যাৰে আমি প্ৰতিপালিত হৈছোঁ, সেইবোৰক মানৱতাৰে ব্যৱহাৰ কৰিব লাগে।

আমাৰ টকা-পইচা যাৰে আমি নিজৰ আৰু আনলোকৰ প্ৰয়োজনবোৰ পূৰ কৰোঁ।

আমাৰ ল'ৰা-ছোৱালী যাক আমি জন্ম দিওঁ, যত্ন লওঁ আৰু শুভবাৰ্ত্তা দিওঁ।

আমাৰ পিতা-মাতা যাক আমি মান সন্মান কৰিব আৰু যত্ন ল'ব লাগে।

আমাৰ ঘৰ-বাৰী যাক আমি প্ৰয়োজন হোৱা জনক দিব লাগে।

আমাৰ আত্মিক বৰদানবোৰ; যাৰে আমি পৰস্পৰৰ পৰিচৰ্য্যা কৰোঁ।

আমাৰ জ্ঞান যাক আমি প্ৰয়োজন হোৱা জনক দিব লাগে।

আমাৰ যীচুত বিশ্বাস, যিহক আমি সদায় অভ্যাস কৰা উচিত।

আৰু আন কি কি বিষয় আপুনি ক'ব পাৰে?

ল'ৰা-ছোৱালীয়ে যুগুত কৰা নাটক আৰু প্ৰশ্নবোৰ পৰিবেশন কৰিবলৈ দিয়ক।

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ ২ বংশাৱলী ৩৫ঃ১৫-১৯ পঢ়ক। তেওঁলোকে অৱহেলা কৰা প্ৰভুৰ নিস্তাৰ পৰ্ব্বৰ ভোজ পালন কৰিবলৈ যোচিয়া ৰজাই ঈশ্বৰৰ লোকবিলাকক ক'লে। প্ৰভুৰ ভোজ হৈছে খ্ৰীষ্টিয়ান সকলৰ নিস্তাৰ পৰ্ব্বৰ ভোজ।

**একেলগে মুখস্থ কৰক ঃ** ১ কৰিন্থীয়া ১৪ঃ২, "ঘৰগিৰী জন বিশ্বাসযোগ্য হোৱা উচিত।"

বিশ্বাসী ও আলহী সকলক দুই অথবা তিনিজনীয়া সৰু দল গঠন কৰিবলৈ দিয়ক। তেওঁলোকৰ প্ৰয়োজনীয়, উত্তম ঘৰগিৰী হোৱাৰ ইচ্ছা প্ৰকাশ কৰা আৰু পৰস্পৰৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net.